# মোৰ দৃষ্টিত এখন সেউজ আৰু প্ৰদূষণমুক্ত অসম

আৰম্ভণী :

"ধৰণীৰ বছা বছাখিনি

চেনেহেৰে বুকুত সুমাই

জীৱনৰ জয়মালা ধাৰি

হেঁপাহেৰে দিয়াহি পিন্ধাই"

-যতীন্দ্ৰ নাথ দুৱৰা ।

প্ৰাকৃতিক সৌন্দৰ্য্যৰ অনুপম স্থলী অসমৰ সেউজ ভূ-প্ৰকৃতিয়ে অসমক অন্য এক মাত্ৰা প্ৰদান কৰিছে। সোণোৱালী সূৰুযৰ কিৰণ ডুব যোৱা নদীখন, আকাশত উৰি থকা পৰিভ্ৰমী চৰাইবোৰ,অৰণ্যৰ এশিঙীয়া গড়, দঁতাল হাতী, নাহৰফুটুকী বাঘৰ শাৰীবোৰ, বোকাপানীৰে ভৰা সেউজীয়া পথাৰবোৰ অসমৰ সেউজ আৰু সুন্দৰতাৰ অন্য এক প্ৰতীক।প্ৰদূষণৰ বিপৰীতে সেউজীয়া অৰণ্য আৰু ইয়াৰ প্ৰাসংগিকতাই এখন সেউজ আৰু প্ৰদূষণমুক্ত অসমৰ ইংগিত বহন কৰিছে।

"জিলমিল তেজোদগ্ধ নভোজ্যোতি

তাৰকা মালাই

মোলৈকে নমাই দিয়া ৰশ্মিসূতা

কেঁচাই কেঁচাই,

মহানীল ডোখৰৰ দুয়ো মূৰে গাঁথি,

সপ্তসুৰী বিৰহ-দলিচা তাতে পাতি,

অপূৰ্ব দোলাখন তুলিম সজাই,

ৰ-ৰহীয়া ৰামধেনু-বোল ৰহনাই"।

-অম্বিকাগিৰী ৰায়চৌধুৰী।

অসমৰ ইতিবৃত্ত : অসমান ভূমিৰে ভাৰতৰ প্ৰায় উত্তৰ পূৱ কোণত অৱস্থিত পাহাৰ-ভৈয়াম, নদী-উপনদীৰে গঠিত অসম এখন প্ৰকৃতিৰ অতুল বৈভৱৰ ঐশ্বৰ্য্যশালী ৰাজ্য।য'ত চুতীয়া, কোঁচ, কছাৰী, জয়ন্তীয়া, আহোম আৰু ইংৰাজৰ শাসনৰ অন্ততঃশ্বহীদৰ কেঁচাতেজৰ বিনিময়ত স্বাধীনতা লাভ কৰে আৰু বিভিন্ন জাতি, জনগোষ্ঠীৰ নিজ-নিজ কৃষ্টি-সংস্কৃতি অৰ্থাৎ ভাষা, ৰীতি-নীতি, উৎসৱ, খাদ্য-ভাস, সাজপোছাক, পৰাম্পৰাগত খেল-ধেমালি আৰু দিয়া-লোৱা বা এৰা-ধৰাৰ মাধ্যমৰ দ্বাৰা অসমীয়া সংস্কৃতিৰ লগত অন্য সংস্কৃতিৰ সংমিশ্ৰণ ঘটি অসমৰ ঐক্য আৰু সংহতি ৰক্ষা কৰে। কবিৰ ভাষাত,

"ময়েই খাছিয়া,মই জয়ন্তীয়া

ডফলা আবৰ অঁকা

ময়েই চিংফৌ/ভৈয়ামৰ মিৰি

সোৱণশিৰীয়া ডেকা

বিজয়ী আহোম কছাৰী-কোঁচৰ

মেছৰ কুমাৰ মই/ৰাজবংশীয় মই

কপালত জ্বলে শত গৌৰৱৰ আভা।

মই লালুং-চিটিয়া/লুচাই মিছিৰ-গাৰো।

মিছিমি-খামতি/নগা আংগামী বীৰ

পৰ্বতে-পাহাৰে/জ্বলিছে উচ্চ-শিৰ"।

অসমৰ প্ৰাকৃতিক অৱদান : অসম কৃষিজাত,বনজাত,জলজাত আৰু খনিজাত সম্পদত চহকী ৰাজ্য।ধান,মাহ,গম,সৰিয়হ আৰু চাহ আদিবোৰ হৈছে কৃষিজাত সম্পদ,নানা প্ৰকাৰৰ গছ-গছনি,গড়,হাতী,বাঘ,বান্দৰ,চৰাই আদি বনজাত সম্পদ,মাছ-কাছ,শিহু জলজাত আৰু খাৰুৱা তেল,কয়লা,প্ৰাকৃতিক গেছ এইসমূহ হৈছে খনিজাত সম্পদৰ অন্তৰ্গত। নদ-নদী,পাহাৰ-পৰ্বত,উপকূল আৰু বিশাল অৰণ্য,সেউজীয়া পথাৰে অসমক সেউজ আভা আৰু প্ৰদুষণমুক্ত বাতাবৰণ এটি প্ৰদান কৰিছে।

"অতীত জন্মৰ ক'ত অলেখ স্মৃতিৰ

গছে-পাতে আছে ৰেখা

অফুট-ভাষাৰ ক'ত কৰুণ কাহিনী

প্ৰকৃতি-ৰূপত আছে লেখা"।

- নলিনীবালা দেৱী।

মোৰ দৃষ্টিত এখন সেউজ আৰু প্ৰদুষণমুক্ত অসম :

"পূবৰে ৰ'দতে চিকমিক কৰিছে

লুইতৰ পাৰৰে বালি

আকাশত উৰিছে তেনে চিকেমিকাই

বগলী জাকৰে লালী।"

-লক্ষ্মীনাথ বেজবৰুৱা।

"ৰঙা নদী আৰু নীলাপাহাৰৰ ঠাই' হিচাপে পৰিচিত অসম বিৰল উদ্ভিদ আৰু বিৰল প্ৰাণীৰ প্ৰাচুৰ্য আৰু বৈচিত্ৰৰে ভৰপূৰ। এইক্ষেত্ৰত অসমৰ ভৌগোলিক অৱস্থিতি, মৌচুমী বতাহ, নাতিশীতোষ্ণ জলবায়ু আৰু ভূ-প্ৰকৃতিৰ প্ৰভাৱ বিদ্যমান। অসমৰ অৰণ্যবোৰৰ প্ৰজাতিৰ ভিন্নমুখীতা, প্ৰকৃতিগত সাদৃশ্য আৰু বিসদৃশ্যৰ ওপৰত ভিত্তি কৰি চাৰিভাগত ভাগ কৰা হৈছে যেনে, চিৰসেউজ অৰণ্য,পৰ্ণপাতী অৰণ্য,জলাহ অৰণ্য আৰু তৃণভূমি। সাম্প্ৰতিক তথ্য অনুযায়ী অসমত ৪২৭৩ বিধ প্ৰজাতিৰ উদ্ভিদ পোৱা যায়। ইয়াৰে ভিতৰত নিম, অশোক, চেগুন, চন্দন, অৰ্জুন, শিলিখা, আকন, অশ্বগন্ধা, শতমূল, ছতপুষ্প আদি প্ৰধান। যিয়ে অসমক সেউজ কৰি তোলাৰ লগতে গছ-গছনিয়ে অসমক এটি সুন্দৰ,প্ৰদূষণমুক্ত কৰি ৰখাত সহায় কৰিছে।

আনহাতে অসমত প্ৰায় ৮০০ বিধ প্ৰজাতিৰ চৰাই আছে। যি সমূহে অৰণ্য,ঘাঁহনি, নৈপাৰত,আৰ্দ্ৰভূমি, পাহাৰীয়া আবাসস্থল, মুকলি আবাসভূমিত থকা দেখিবলৈ পোৱা যায়। এইসমূহৰ ভিতৰত শৰালি হাঁহ, শেন,বালিমাহী, দেও হাঁহ,শগুণ, চাতক, ধনেশ,চুটীয়া শালিকা, দহিকতৰা আদি।

ভিন্ন উদ্ভিত,চৰাই আৰু জীৱ-জন্তুৱে অসমৰ সৌন্দৰ্য্য বঢ়োৱাৰ লগতে জৈৱ বৈচিত্ৰ্যতাৰ সৃষ্টি কৰিছে।যিয়ে খাদ্য শৃংখল(food chains),খাদ্য জাল(food web)ত সহায় কৰিছে আনকি শগুন,কাউৰী,শিয়াল,কুকুৰ আদিয়ে মৰাশ,গেলা-পচা বস্তু আদি ভক্ষণ কৰি অসমক প্ৰদূষণমুক্ত কৰি তোলাত সহায় কৰিছে।

আনহাতে আপুৰুগীয়া জীৱ-জন্তু বা চৰাই-চিৰিকটিৰ সৌন্দৰ্য্য আৰু সিঁহতৰ সেউজ আবাসভূমিয়ে অসমলৈ অহা পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

কিন্তু বনাঞ্চল ধ্বংস,উদ্যোগ,যান-বাহনৰ পৰা ওলোৱা ধোঁৱা,ৰাসায়নিক দ্ৰব্য প্ৰয়োগ,মাইক্ৰ'ফোন আৰু গাড়ীৰ হৰণৰ অপব্যৱহাৰ আদি মানৱসৃষ্ট কাৰকৰ ফলত হোৱা গোলকীয় উত্তাপন বৃদ্ধি,খৰাং বতৰ,কৃত্ৰিম বানপানী,গৰাখহনীয়া, আদি বিভিন্ন প্ৰাকৃতিক সমস্যাৰ সৃষ্টি হৈ পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে গতিকে বৃক্ষ ৰোপন আৰু সংৰক্ষণ,সৌৰ শক্তিক বিকল্প হিচাপে ব্যৱহাৰ কৰা,জৈৱিক সাৰ প্ৰয়োগ,বহনক্ষম উন্নয়ণত গুৰুত্ব প্ৰদান, কলকাৰখানাত চিমনি ব্যৱহাৰ,যান-বাহনত দ্ৰুত 'চাৰভিচিং'ৰ ব্যৱস্থা কৰা,প্লাষ্টিকৰ সলনি কাপোৰৰ বেগৰ প্ৰয়োগ,ডাষ্টবিনৰ সঠিক ব্যৱহাৰ,পৰিৱেশ সচেতনতাৰ অনুষ্ঠান পালনৰ দ্বাৰা অসমৰ ৰাইজক সচেতন কৰি অসমক প্ৰদূষণৰ পৰা মুক্ত সেউজ -শ্যমলা কৰি গঢ়ি তুলিব পাৰি। ইয়াৰ বাবে লাগিব নিজস্ব ইচ্ছা আৰু সমাজৰ প্ৰতি দায়ৱদ্ধতা।এইক্ষেত্ৰত বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী খণ্ডই প্ৰদূষণ নিয়ন্ত্ৰণ,অৰণ্য আৰু বিৰল বন্যপ্ৰাণী সংৰক্ষণৰ বাবে কাৰ্য হাতত লৈছে।অসম চৰকাৰে সেউজ আৰু স্বচ্ছ অসম গঢ়িবলৈ লোৱা পদক্ষেপ সমূহো বিশেষ ভাৱে গুৰুত্বপূৰ্ণ যিয়ে সামাজিক,সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশত বৰঙণী আগবঢ়াইছে।

সামৰণী :

"এনে বহু যাত্ৰাৰ শেষ মোৰ দেশ।

যাৰ বুকুত উমে মোক দিছে

ভালপোৱাৰ আনন্দ,যৌৱনৰ প্ৰাচুৰ্য্য।জীৱনৰ নতুন অৰ্থ।

এই দেশৰ প্ৰতিটো পুৱাই মোলৈ লুকাই আনে ঐশ্বৰ্য্যৰ বিপুল সম্ভাৰ।

প্ৰতিটো সন্ধিয়াই বৈ আনে স্নিগ্ধ ফুলৰ সুবাস।

প্ৰতিটো ঋতুৱে মোক দি যায় জীৱনৰ আৰ্শীবাদ"।

-হীৰেণ ভট্টাচাৰ্য।

প্ৰকৃতিৰ মাধুৰ্য্যতাৰ অক্ষয়ভূমি, সোণালী অতীত গৰকা, মহান মনিষীৰ আদৰ্শৰ স্থলী,আত্মবলিদান,ত্যাগ আৰু মহানতাৰে ভৰা সেউজী আৰু চিকুণী অসমৰ বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতি আৰু পৰম্পৰাইয়ে অসমক অন্যতম সুন্দৰতা প্ৰদান কৰিছে।যাৰ সেউজতাই উৰোৱাইছে শান্তি-সম্প্ৰীতি আৰু প্ৰগতিৰ পতাকা।

শেষত, "সুন্দৰে আজি ফুলৰ মন্ত্ৰ অহোৰাত্ৰি মাতে

সেইহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে"।


প্ৰেৰক....

শিল্পীকা মধুকল্য

স্নাতক পঞ্চম ষান্মাসিক

(বুৰঞ্জী বিভাগ)

দৰং মহাবিদ্যালয়।

তেজপুৰ।

ফোন নং 8721911454

ইমেইল silpimadhukalya@gmail.com